# ভাৰতীয় আৰ্যভাষাৰ লক্ষণ

অতি প্ৰাচীন কালৰে পৰা ভাৰতীয় আৰ্যভাষাৰ লিখিত নিদৰ্শন পোৱা গৈছে। সেই কাৰণে এই ভাষাক শৃংখলাবদ্ধভাৱে বিচাৰ কৰাৰ সুবিধা হৈছে। ভাৰতীয় আৰ্যভাষাৰ বিকাশক কেইবাটাও যুগত বিভক্ত কৰিব পাৰি। প্ৰত্যেক যুগতে একোটা সাহিত্যিক ভাষা আছিল। তদুপৰি কথিত উপভাষাৰ অনেক সমলৰ উল্লেখো পোৱা যায়। ভাৰতীয় আৰ্যভাষাৰ বুৰঞ্জীক সাধাৰণতে এই তিনিটা ভাগত ভগোৱা হয় — ১। প্ৰাচীন ভাৰতীয় আৰ্যভাষা, ২। মধ্যভাৰতীয় আৰ্যভাষা, আৰু ৩। নব্য ভাৰতীয় আৰ্যভাষা। এই তিনিটা ভাগত আকৌ ক্ৰমে — 'মুখ্য প্ৰাকৃত, 'গৌণ প্ৰাকৃত' আৰু 'তৃতীয় পৰ্যায়ৰ প্ৰাকৃত'।

বৈদিক আৰু সংস্কৃত ভাষাক প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ অন্তৰ্ভুক্ত কৰা হয়। বৈদিক (ঋকবেদৰ) ভাষাই ভাৰতীয় আৰ্যভাষাৰ প্ৰাচীনতম সাহিত্যিক ৰূপ। ঋকবেদৰ প্ৰাচীনতম কবিতাবোৰৰ ৰচনাকাল খ্ৰীঃপূঃ ১২০০ শতাব্দীৰ বুলি অনুমান কৰা হৈছে। এইবোৰক ভাৰত-ইউৰোপীয় ভাষা পৰিয়ালৰ ভাষাৰ ভিতৰত আটাইতকৈ পুৰণি ৰচনা বুলি কোৱা হয়। কিন্তু ক্ৰীটদ্বীপৰ শিলালেখাৰ আৱিষ্কাৰে গ্ৰীকভাষাৰ নিদৰ্শন খ্ৰীঃপূঃ ১৪০০ শতিকালৈ লৈ গৈছে। ড° সেনৰ মতে, 'এইটোৱে ভাৰত-ইউৰোপীয় ভাষাৰ অসন্দিগ্ধ প্ৰাচীনতম নিদৰ্শন।' বৈদিক সাহিত্য কালানুক্ৰমিকভাৱে তিনিটা পৰ্যায়ত বিভক্ত—বেদ বা সংহিতা, ব্ৰাহ্মণ আৰু উপনিষদ। বেদ বুলিলে তিনিখন যজ্ঞীয় (ঋক, সাম, আৰু যজুঃ) আৰু অযজ্ঞীয় অথৰ্ববেদক বুজায়। ব্ৰাহ্মণ গ্ৰন্থবোৰত আছে বিবিধ যজ্ঞ কাৰ্যৰ বিৱৰণ, ব্যাখ্যা আৰু কিছুমান প্ৰাচীন উপাখ্যান। উপনিষদ ব্ৰাহ্মণৰ পৰিশিষ্ট। ইয়াত আছে সেই সময়ৰ মনীষীসকলৰ আধ্যাত্মিক চিন্তা আৰু অনুভূতিৰ কবিত্বময় প্ৰকাশ। ঋক আৰু সামবেদ পদ্যত আৰু উপনিষদবোৰ প্ৰধানতঃ গদ্যত ৰচনা কৰা।

প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ দুটা সাহিত্যিক ৰূপ পোৱা গৈছে। এটা প্ৰাচীনতৰ। এই ভাষা হৈছে ঋকবেদ আৰু পৰৱৰ্তী বৈদিক সাহিত্যৰ ভাষা। আনটো নবীনতৰ। এই ভাষাৰ কোনো ৰচনা পোৱা হোৱা নাই। এই ভাষাৰ পাণিনীয় (খ্ৰীঃ পূঃ ৫ ম শতিকা) নিৰ্দিষ্ট কৰি দিয়া ৰূপেই হৈছে সংস্কৃত ভাষা।

প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ সময় ধৰা হৈছে খ্ৰীঃ পূঃ ৬ ষ্ঠ শতিকাৰ পৰা খ্ৰীষ্টীয় ১০ ম শতিকা পৰ্যন্ত। নব্য ভাৰতীয় আৰ্যভাষাৰ সময় হৈছে খ্ৰীষ্টীয় দশম শতিকাৰ পৰা বৰ্তমান সময়লৈকে। প্ৰাচীন ভাৰতীয় আৰ্যভাষাত 'ঋ', 'এ', 'ঐ', স্বৰধ্বনি আৰু তিনিটা উষ্মধ্বনিৰে (শ, ষ, স) সৈতে আন ব্যঞ্জন ধ্বনিবোৰৰ সম্পূৰ্ণ ব্যৱহাৰ আছিল। স্বৰধ্বনিবোৰৰ আকৌ গণি বৃদ্ধি সম্প্ৰদায়ৰ ৰূপো হৈছিল। সন্ধি বৈদিকত সুৰ, বিবিধযুক্ত ব্যঞ্জন, শব্দৰূপৰ বৈচিত্ৰ্য, তিনিটা বচন, সম্বোধনৰ উপৰিও সাতোটা কাৰক, তিনিটা লিংগ আৰু অন্ত্যধ্বনি অনুসৰি শব্দৰ ৰূপভেদ, ধাতুৰূপৰ বৈচিত্ৰ্য, তিনিটা পুৰুষ, দুটা পদ (পৌৰস্মৈপদ আৰু আত্মনেপদ), দুটা বাচ্য, (কৰ্তা, কৰ্ম), পাঁচোটা ভাব, অসমাপিকা, উপসৰ্গৰ

স্বাধীনভাৱে ব্যৱহাৰ সমাসৰ বিচিত্ৰ আৰু বহুল প্ৰয়োগ, বাক্যৰ পদ বিন্যাসৰ নিৰ্দিষ্ট নিয়মৰ অনাৱশ্যকতা, কৃৎ আৰু তদ্ধিত প্ৰত্যয়ৰ সহায়ত যথেষ্ট ৰকমে হোৱা শব্দ-গঠন প্ৰথা আদি প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ বৈশিষ্ট্য।

মধ্যভাৰতীয় আৰ্যভাষাক আকৌ তিনিটা স্তৰত ভাগ কৰা হৈছে। প্ৰথম স্তৰৰ সময় খ্ৰীঃ পূঃ ষষ্ঠ শতিকাৰ পৰা খ্ৰীষ্টীয় প্ৰথম শতিকালৈ, দ্বিতীয় স্তৰৰ সময় খ্ৰীষ্টীয় প্ৰথম শতিকাৰ পৰা ষষ্ঠ শতিকালৈ আৰু তৃতীয় স্তৰৰ সময় খ্ৰীষ্টীয় ষষ্ঠ শতিকাৰ পৰা ১০ ম শতিকালৈ। প্ৰথম স্তৰৰ প্ৰধান নিদৰ্শন পোৱা গৈছে অশোকৰ শিলালিপিত আৰু হীনযানপন্থী বৌদ্ধসকলৰ পালি শাস্ত্ৰৰ প্ৰাচীন গ্ৰন্থবোৰত। দ্বিতীয় স্তৰৰ নিদৰ্শন পোৱা যায় খ্ৰীষ্টীয় প্ৰথম তিনি শতিকাৰ শিলালিপিত, সাহিত্যিক প্ৰাকৃত (মহাৰাষ্ট্ৰী, সৌৰসেনী, মাগধী, পৈশাচী) আৰু বৌদ্ধ সংস্কৃতত। তৃতীয় স্তৰৰ নিদৰ্শন পোৱা যায় অপভ্ৰংশ আৰু অপভ্ৰষ্টত। অশোকৰ শিলালিপিৰ ভিতৰত সেই সময়ৰ প্ৰধান উপভাষা চাৰিটাৰ পৰিচয় পোৱা যায়।

সেই কেইটা হ'ল — উত্তৰ পশ্চিমা, দক্ষিণ-পশ্চিমা, প্ৰাচ্য মধ্যা আৰু প্ৰাচ্যা।

## প্ৰাকৃত অপভ্ৰংশ ভাষাৰ স'তে অসমীয়া ভাষাৰ সম্পৰ্ক

নব্যভাৰতীয় আৰ্যভাষাৰ এটা প্ৰধান ভাষা অসমীয়া ভাষাৰ সৈতে প্ৰাকৃত অপভ্ৰংশৰ সম্পৰ্ক আছে। পণ্ডিতসকলৰ মতে অসমীয়া ভাষাটো মূলতঃ মগধীয় ভাষা আৰু মগধ বিদেহ অঞ্চলৰ পৰা আহি এই ভাষা কামৰূপত প্ৰৱেশ কৰে আৰু সময়ৰ সোঁতত ইয়াৰ পৰাই অসমীয়া ভাষাৰ উৎপত্তি হয়। সেয়ে অসমীয়া ভাষাৰ সৈতে মাগধী প্ৰাকৃত আৰু অপভ্ৰংশৰ ভালেখিনি সম্পৰ্ক আছে। এই বিষয়ে তলত আলোচনা কৰা হৈছে।

১। সাধাৰণতে মাগধী প্ৰাকৃতৰ পৰা ওলোৱা ভাষাবোৰত 'ল' প্ৰত্যয়ৰ সংযোগত অতীত কাল আৰু 'ব' প্ৰত্যয়ৰ সংযোগত ভৱিষ্যৎ কাল বুজোৱা হয়। অসমীয়া ভাষাতো এই বৈশিষ্ট্য দেখা যায়।

২। সৰ্বনামৰ তৃতীয় পুৰুষ 'সি' আৰু আৰু ইয়াত তীৰ্যকৰূপ 'তা'ৰ প্ৰয়োগৰ ক্ষেত্ৰতো মাগধী প্ৰাকৃতৰ সৈতে অসমীয়াৰ সম্পৰ্ক আছে। সাধাৰণতে সৰ্বনাম 'সি' মাগধী অপভ্ৰংশ 'শি' ৰ পৰা অহা বুলি অনুমান কৰিব পাৰি। সেইদৰে মাগধীৰ ষষ্ঠী একবচনৰ 'তাই' ৰূপৰ পৰা 'সি'ৰ তীৰ্যকৰূপ 'তা' অহা বুলি ধৰিব পাৰি।

৩। মাগধী প্ৰাকৃতৰ কৰণ কাৰকৰ বিভক্তি এ (এন > এ > এ) অসমীয়া ভাষাত কৰ্তা আৰু কৰণ উভয় কাৰকতে ব্যৱহাৰ হয়।

৪। প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ ৰ-ধ্বনিলৈ পৰিৱৰ্তিত হোৱাটো মাগধী প্ৰাকৃতৰ এটা প্ৰধান বৈশিষ্ট্য আছিল। বহু ক্ষেত্ৰত অসমীয়া ভাষাটো সংস্কৃতৰ ৰ-ধ্বনি ল-হিচাপে ব্যৱহাৰ হোৱা দেখা যায়। উদাহৰণস্বৰূপে ভাল (ভদ্ৰ), লাই (ৰাজিকা), হালধী (হাৰিদ্ৰিকা) আদি।

৫। সংস্কৃতৰ স্বৰমধ্যৱৰ্তী তালব্য ধ্বনিসমূহ মাগধী প্ৰাকৃতত অবিকৃতভাৱে উচ্চাৰিত হৈছিল। অসমীয়া ভাষাতো মাগধী প্ৰাকৃতৰ এই বৈশিষ্ট্য পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে জঁজা (যমজ), ফেঁচা (পেচক) ইত্যাদি।

৬। সংস্কৃত ভাষাৰ অঘোষ ধ্বনিবোৰ মাগধী প্ৰাকৃতত ঘোষ ধ্বনিলৈ পৰিৱৰ্তন হোৱা দেখা যায়। যেনে বগ (বক), শগুণ (শকুন) আদি। এই বৈশিষ্ট্যয়ো মাগধী প্ৰাকৃতৰ সৈতে অসমীয়া ভাষাৰ সম্পৰ্ক নিৰ্ণয় কৰে।

৭। তদুপৰি সংস্কৃত ভাষাৰ 'ক্ষ' ধ্বনি মাগধী প্ৰাকৃতত 'খ' লৈ ৰূপান্তৰিত হৈছিল আৰু একেদৰে অসমীয়াতো কেতিয়াবা কেতিয়াবা সংস্কৃতৰ 'ক্ষ' ধ্বনি 'খ' লৈ ৰূপান্তৰিত হোৱা দেখা যায়। যেনে — অসমীয়া খুদ (ক্ষুদ্ৰ), খেও (খোপ) আদি শব্দত ইয়াৰ উদাহৰণ পোৱা যায়।

৮। অসমীয়া ভাষাত ক্ৰিয়াৰ পিছত — তো, -ন, -ল, -চোন, -গৈ, -হি, -দেখোন আদিৰ ক্ষেত্ৰতো মাগধী প্ৰাকৃতৰ প্ৰভাৱ আছে বুলি ক'ব পাৰি। কাৰণ মাগধী প্ৰাকৃতৰ পৰা ওলোৱা ভিন্ ভিন্ ভাষাবোৰৰ ই এটা বিশেষ লক্ষণ।